**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 19-11-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অন্ধ্ৰপ্ৰদেশ আৰু তামিলনাডু ভ্ৰমণ কৰিব।

২। ভাৰতে প্ৰথমবাৰৰ বাবে আজি আৰু কাইলৈ নতুন দিল্লীত ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা চমুকৈ এন এছ এৰ নেতৃত্বত কলম্বো সুৰক্ষা সন্মিলনৰ আয়োজন কৰিছে।

৩। বাংলাদেশৰ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা খালিলুৰ ৰহমান আজি দুদিনীয়া ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হ'ব।

৪। ভাৰত ৪৮ সংখ্যক ক'ডেক্স এলিমেনটেৰিয়াছ আয়োগ, চমুকৈ CAC-48ত এছিয়া অঞ্চলৰ বাবে ক'ডেক্স কাৰ্যবাহী সমিতিলৈ পুনৰ নিৰ্বাচিত হৈছে। *আৰু*

৫। ভাৰতৰ এ-দলটো চলিত বৰ্ষৰ ৰাইজিং ষ্টাৰ্ছ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমি ফাইনেলত উপনীত হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অন্ধ্ৰপ্ৰদেশ আৰু তামিলনাডু ভ্ৰমণ কৰিব। অন্ধ্ৰপ্ৰদেশত শ্ৰীমোদীয়ে পুট্টাপাৰ্থিত থকা ভগবান শ্ৰীসত্য সাইবাবাৰ মন্দিৰ আৰু মহাসমাধি পৰিদৰ্শন কৰাৰ লগতে তাত পূজা-অৰ্চনা আগবঢ়াব। প্ৰধানমন্ত্ৰীয়ে ভগবান শ্ৰীসত্য সাইবাবাৰ জন্ম শতবাৰ্ষিকী উদযাপন অনুষ্ঠানত ভাগ ল'ব। অনুষ্ঠানত তেওঁ সাইবাবাৰ জীৱন, শিক্ষা আৰু আদৰ্শৰ প্ৰতি সন্মান হিচাপে এটি স্মাৰক মুদ্ৰা আৰু এলানি ডাক টিকট মুকলি কৰিব। শ্ৰীমোদীয়ে সমবেত জনসাধাৰণক উদ্দেশ্যি ভাষণ দিয়াৰো কথা আছে।

ইয়াৰ পাছত প্ৰধানমন্ত্ৰীগৰাকী তামিলনাডুলৈ যাব আৰু কইম্বাটুৰত দক্ষিণ ভাৰতীয় প্ৰাকৃতিক কৃষি সন্মিলন উদ্বোধন কৰিব। জৈৱিক পদ্ধতিৰে কৃষিকৰ্ম কৰিবলৈ উদগণি যোগোৱা প্ৰয়াত নাম্মালভাৰৰ প্ৰাকৃতিক কৃষি পদ্ধতি বিশ্ববাসীৰ আগত প্ৰদৰ্শন কৰাই এই সন্মিলনৰ মূল উদ্দেশ্য। সন্মিলনত ৫ হাজাৰ কৃষকে অংশ ল'ব বুলি আশা কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে অনুষ্ঠানত ভাগ লোৱা কৃষকসকলৰ সৈতে প্ৰাকৃতিক কৃষি পদ্ধতি সন্দৰ্ভত মত বিনিময় কৰিব আৰু এইক্ষেত্ৰত বিশেষ সফলতা অৰ্জন কৰা ১০ গৰাকী খেতিয়কক সন্মান জনাব। তেওঁ লগতে পি এম কিষাণ আঁচনিৰ ২১ সংখ্যক কিস্তী মুকলি কৰিব। ইয়াৰ জৰিয়তে ৯ কোটি কৃষকে মুঠ ১৮ হাজাৰ কোটি টকা লাভ কৰিব। অহা ২১ নৱেম্বৰত এই তিনিদিনীয়া কৃষি সন্মিলনৰ সামৰণি পৰিব। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি দক্ষিণ ভাৰতৰ মানচেষ্টাৰ ৰূপে খ্যাত কইম্বাটুৰত নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰি তোলা হৈছে বুলি আমাৰ আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিছে।

ooooo

ভাৰতে প্ৰথমবাৰৰ বাবে আজি আৰু কাইলৈ নতুন দিল্লীত ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা চমুকৈ এন এছ এৰ নেতৃত্বত কলম্বো সুৰক্ষা সন্মিলনৰ আয়োজন কৰিছে। ইয়াৰ উদ্দেশ্য হৈছে ভাৰত মহাসাগৰ অঞ্চলৰ

ব্যাপক সুৰক্ষা প্ৰদানৰ ক্ষেত্ৰত নিজৰ ভূমিকা শক্তিশালী কৰা। কলম্বো সুৰক্ষা সন্মিলনত ভাৰত, শ্ৰীলংকা, মালদ্বীপ, মৰিছাছ আৰু বাংলাদেশক অন্তৰ্ভুক্ত কৰা হৈছে। চিচেইলচ এই সন্মিলনৰ পৰ্যবেক্ষক ৰাষ্ট্ৰ আৰু পৰৱৰ্তী পৰ্যায়ত ওমান আৰু ম্যানমাৰকো অন্তৰ্ভুক্তিৰ পৰিকল্পনা কৰা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, তেওঁ ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনৰ ভাৰত ভ্ৰমণৰ বাবে আগ্ৰহেৰে বাট চাই আছে। নতুন দিল্লীত কালি ৰাছিয়াৰ ৰাষ্ট্ৰপতিগৰাকীৰ কাৰ্যালয়ৰ বিষয়া নিকোলাই পাট্ৰুছেভৰ সৈতে হোৱা কথা বতৰাৰ সময়ত প্ৰধানমন্ত্ৰীগৰাকীয়ে এইদৰে জানিবলৈ দিয়ে।

সাক্ষাতৰ অন্তত সামাজিক মাধ্যমত লিখা এটা প'ষ্টত শ্ৰীমোদীয়ে কয়, যে তেওঁ অভ্যাগত বিষয়াগৰাকীৰ সৈতে সাগৰীয় খণ্ডত উভয় দেশৰ সহযোগিতা ত্বৰান্বিত কৰাৰ বিভিন্ন উপায় সন্দৰ্ভত ফলপ্ৰসূ আলোচনা মিলিত হয়।

প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে প্ৰকাশ কৰা অনুসৰি শ্ৰীপাট্ৰুছেভে অহা মাহৰ আৰম্ভণিতে হ'বলগীয়া ভাৰত-ৰাছিয়া সন্মিলনৰ প্ৰস্তুতিৰ বুজ লয়। বিষয়াগৰাকীৰ জৰিয়তে প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে ৰাষ্ট্ৰপতি শ্ৰীপুটিনলৈ নিজৰ শুভেচ্ছা জ্ঞাপন কৰে।

ইয়াৰ পূৰ্বে শ্ৰীপাট্ৰুছেভে ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰকত ভাৰতীয় সেনা বাহিনীৰ ছহিদসকললৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। ইয়াৰ পাছত তেওঁ প্ৰধানমন্ত্ৰী সংগ্ৰহালয় পৰিদৰ্শন কৰে।

০০০০০

বাংলাদেশৰ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা খালিলুৰ ৰহমান আজি দুদিনীয়া ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হ'ব। ভাৰতৰ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত দোভালৰ আমন্ত্ৰণমৰ্মে আজি আৰু কাইলৈ হ'বলগীয়া কলম্বো সুৰক্ষা সন্মিলনৰ সপ্তমখন বৈঠকত অংশ লোৱাৰ উদ্দেশ্যে বাংলাদেশৰ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টাগৰাকী ভাৰতলৈ আহিব। উভয় দেশৰ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা দুয়োগৰাকী দ্বিপাক্ষিক বৈঠকতো মিলিত হ'ব। বিগত ৪ এপ্ৰিলত বেংককত বিমষ্টেক ৰাষ্ট্ৰগোষ্ঠীৰ সন্মিলনৰ সময়ত দুয়োগৰাকী উপদেষ্টা অন্তিমবাৰৰ বাবে মিলিত হৈছিল।

০০০০০

মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লাই কালি ভাৰত-ম্যানমাৰ সীমান্তত নিৰ্মীয়মান বেৰ দিয়া কাম-কাজৰ পৰ্যবেক্ষণ কৰে। ৰাজভৱনৰ এগৰাকী বিষয়াই জনোৱা অনুসৰি কালি সন্ধিয়া অনুষ্ঠিত এখন বৈঠকত অধ্যক্ষতা কৰি ৰাজ্যপালগৰাকীয়ে মণিপুৰৰ সৈতে ৩৯৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ ভাৰত-ম্যানমাৰ সীমান্তত চলি থকা নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। সীমান্ত পথ সংস্থাৰ অতিৰিক্ত সঞ্চালক প্ৰধান আৰু টুৱেণ্টি ফাইব বোৰ্ডাৰ ৰোড টাস্ক ফোৰ্চৰ কামাণ্ডাৰকে ধৰি জ্যেষ্ঠ বিষয়াসকলে ফেন্সিং, মূল কাৰ্যকৰী সমস্যা আৰু প্ৰকল্পটোৰ সামগ্ৰিক অগ্ৰগতিৰ বিষয়ে ৰাজ্যপালগৰাকীক অৱগত কৰে। বৈঠকত মুখ্য সচিব পুনীত কুমাৰ গোৱেল, আৰক্ষী সঞ্চালকপ্ৰধান ৰাজীৱ সিং, অতিৰিক্ত মুখ্য সচিব, কেইবাখনো সীমান্ত জিলাৰ আয়ুক্তসকল আৰু সীমান্ত সুৰক্ষা বাহিনী তথা আছাম ৰাইফলছৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

০০০০০

বিহাৰৰ সদ্যসমাপ্ত বিধানসভা নিৰ্বাচনত এন ডি এৰ হৈ জয়লাভ কৰা বিধায়কসকলে আজি পাটনাত এখন বৈঠকত মিলিত হ'ব আৰু তেওঁলোকৰ মিত্ৰজোঁটৰ নেতা নিৰ্বাচন কৰিব। এন ডি এ মিত্ৰজোঁটৰ

বিজেপি, জনতা দল ইউনাইটেড, লোক জনশক্তি পাৰ্টি (ৰাম বিলাস), হিন্দুস্তানী আৱাম মৰ্চা আৰু ৰাষ্ট্ৰীয় লোক মৰ্চাৰ ২০২ গৰাকী বিজয়ী বিধায়কে এই বৈঠকত অংশগ্ৰহণ কৰিব।

ooooo

ভাৰত ৪৮ সংখ্যক ক'ডেক্স এলিমেনটেৰিয়াছ আয়োগ, চমুকৈ CAC-48ত এছিয়া অঞ্চলৰ বাবে ক'ডেক্স কাৰ্যবাহী সমিতিলৈ পুনৰ নিৰ্বাচিত হৈছে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে এটা বিবৃতিত কয়, যে ৰোমত অনুষ্ঠিত অধিৰেশনত ভাৰতীয় খাদ্য সুৰক্ষা আৰু মানক প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া ৰাজিত পুনহানিয়ে ভাৰতৰ প্ৰতিনিধি দলটোক নেতৃত্ব দিয়ে। বিবৃতিটোত লগতে কোৱা হয়, যে ভাৰতে খাদ্য সংযোজক, কীটনাশক অৱশিষ্ট, পশু চিকিৎসাৰ ঔষধ, বিশ্লেষণ পদ্ধতি আৰু খাদ্যত থকা দূষিত পদাৰ্থৰ তথ্যসমূহৰ উন্নীতকৰণ আৰু বিকাশত গুৰুত্ব আৰোপ কৰে। এই অধিৰেশনৰ সময়ত ক'ডেক্সৰ কাৰ্যকলাপৰ দক্ষতা বৃদ্ধিৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাকে ধৰি আধুনিক প্ৰযুক্তি ব্যৱহাৰত ভাৰতে সমৰ্থন আগবঢ়ায়।

ooooo

আফগানিস্তানৰ উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী নোৰুদ্দিন আজিজি পাঁচদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে আজি নতুন দিল্লীত উপস্থিত হ'ব। আজি বিয়লিৰ ভাগত ভাৰতত উপস্থিত হ'বলগীয়া মন্ত্ৰীগৰাকীয়ে ভাৰত আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মেলা পৰিদৰ্শন কৰাৰ কথা আছে। ভ্ৰমণৰ সময়ছোৱাত মন্ত্ৰীগৰাকীয়ে উদ্যোগ আৰু বাণিজ্যৰ সৈতে জড়িত ভাৰতৰ চৰকাৰী বিষয়াসকলক সাক্ষাৎ কৰিব। ২০২১ চনৰ আগষ্টত কাবুল নিজৰ দখললৈ নিয়া তালিবান চৰকাৰৰ তৰফৰ পৰা এয়া হ'ব ভাৰতলৈ বুলি অন্যতম উচ্চস্তৰীয় চৰকাৰী ভ্ৰমণ।

ooooo

আকাশবাণীৰ এফ এম গ'ল্ডত নিয়মীয়াভাৱে প্ৰচাৰিত হৈ থকা পাৰ্চন বিহাইণ্ড দা ষ্টোৰী নামৰ পডকাষ্টলানিৰ অংশ হিচাপে আজি চলিত বৰ্ষৰ ৰাষ্ট্ৰীয় শিক্ষক বঁটা লাভ কৰা নাং একঠানি মৌংলাঙৰ সৈতে হোৱা এটা সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। অৰুণাচল প্ৰদেশৰ পাচিনৰ এখন চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কৰ্মৰত কৃতি শিক্ষকগৰাকীয়ে দুটা বছৰৰ ভিতৰতে বিদ্যালয়খনৰ দশম শ্ৰেণীৰ পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীৰ হাৰ ৩০ৰ পৰা ১০০ শতাংশলৈ বৃদ্ধি কৰিবলৈ সক্ষম হৈছে। পডকাষ্টলানিৰ আজিৰ অংশত তেওঁ এই সফলতাৰ বাটত সন্মুখীন হোৱা সমস্যা আৰু সেইসমূহ সমাধান কৰাৰ উপায় সন্দৰ্ভত অভিজ্ঞতা প্ৰকাশ কৰিব। এই অনুষ্ঠানটো আজি পুৱা ৯ বাজি ১০ মিনিটত সম্প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো আজি বিয়লি চাৰে ৫ বজাত পুনৰ সম্প্ৰচাৰ কৰা হ'ব।

ooooo

৫৬ সংখ্যক ভাৰতীয় আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ কাইলৈ আৰম্ভ হ'ব। কাইলৈৰ পৰা ২৮ নৱেম্বৰলৈ গোৱাৰ পানাজীত হ'বলগীয়া এই মহোৎসৱত ৮০ খনতকৈও অধিক দেশৰ অতিথি আৰু চলচ্চিত্ৰ নিৰ্মাতাসকলে অংশগ্ৰহণ কৰিব। মহোৎসৱত ভাৰত আৰু বিদেশৰ ২৭০ খনতকৈও অধিক চলচ্চিত্ৰ প্ৰদৰ্শন কৰা হ'ব।

ooooo

ভাৰতৰ এ-দলটো চলিত বৰ্ষৰ ৰাইজিং ষ্টাৰ্ছ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমি ফাইনেলত উপনীত হৈছে। ভাৰতে কালি গ্ৰুপ-বিৰ নিজৰ অন্তিমখন খেলত ওমানক ৬ উইকেটত পৰাস্ত কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰে। কাটাৰৰ ডোহাৰ ৱেষ্ট এণ্ড পাৰ্ক আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত

খেলখনত ওমানে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেটৰ বিনিময়ত ১৩৫ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ভাৰতে ১৭ অভাৰ আৰু ৫টা বলত ৪টা উইকেট হেৰুৱাই বিজয় লক্ষ্য অতিক্ৰম কৰে। এই জয়ৰ ফলত ভাৰত গ্ৰুপ বি-ৰ দ্বিতীয় স্থানলৈ উন্নীত হয়। প্ৰতিযোগিতাখনৰ নিয়ম অনুসৰি এ আৰু বি উভয় গ্ৰুপৰে প্ৰথম আৰু দ্বিতীয় দল দুয়োটাই ছেমি ফাইনেলত প্ৰৱেশ কৰে। ভাৰতৰ বিৰুদ্ধে অহা শুকুৰবাৰে ছেমি ফাইনেলত অৱতীৰ্ণ হ'বলগীয়া দলটো কাইলৈ গ্ৰুপ-এৰ এখন খেলৰ জৰিয়তে নিৰ্ধাৰিত হ'ব।

০০০০০

২০২৭ বৰ্ষত ছৌদি আৰৱত হ'বলগীয়া এ এফ চি এছিয়ান কাপ ফুটবল প্ৰতিযোগিতাৰ যোগ্যতা নিৰ্ণয়কাৰী পৰ্যায়ৰ গ্ৰুপ-চিৰ এখন খেলত কালি আয়োজক বাংলাদেশে ঢাকাৰ নেচনেল ষ্টেডিয়ামত ভাৰতক ১-০ গ'লত পৰাস্ত কৰে। এই পৰ্যায়ত গ্ৰুপ-চিত ছিংগাপুৰে মুঠ ১১ পইণ্ট লাভ কৰি এছিয়ান কাপলৈ যোগ্যতা অৰ্জন কৰে। এই গ্ৰুপত সম্প্ৰতি হংকং ৮ পইণ্টেৰে দ্বিতীয় স্থানত আছে। বাংলাদেশ আৰু ভাৰত ক্ৰমে ৫ আৰু ২ পইণ্টেৰে গ্ৰুপ-চিৰ তৃতীয় আৰু চতুৰ্থ স্থানত আছে। যোগ্যতা নিৰ্ণয়কাৰী পৰ্যায়ত ভাৰত নিজৰ অন্তিমখন খেলত অহা বছৰৰ ৩১ মাৰ্চত হংকঙৰ মুখামুখি হ'ব।

০০০০০

সমাপ্ত